**অসম বিধান সভা**

**উত্তৰ দানৰ তাৰিখ -২৮/০৭/২০২৬**

**তৰা চিহ্নিত প্ৰশ্ন নং** : ২৪৩

বিষয় : জল-জীৱন মিছনৰ আঁচনিৰ সন্দৰ্ভত

বিধায়ক : শ্ৰী ওৱাজেদ আলী চৌধুৰী :

**माननीয় জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে:**

(ক) ৰাজ্যৰ বহু ঠাইত জল-জীৱন মিছনৰ আঁচনিৰ পাইপ বহু ওৱাৰ পিছতো এতিয়ালৈকে নিয়মীয়াকৈ পানী যোগান ধৰা হোৱা নাই। বহু ঠাইত আঁচনিৰ কাম আধৰুৱা হৈ পৰি থকাৰ মূল কাৰণ কি আৰু এই সমূহ কেতিয়াৰ ভিতৰত সম্পূৰ্ণ হ'ব।

(খ) যোগান ধৰা পানীৰ গুণগত মান (বিশেষকৈ আৰ্চেনিক, ফ্লুৰাইড আৰু আইৰণৰ পৰিমাণ) নিয়মীয়াকৈ পৰীক্ষা কৰা হয়নে? ৰাজ্যৰ সকলো উপ-সংমণ্ডলত কাৰ্য্যক্ষম পানী পৰীক্ষাগাৰ আছেনে?

(গ) পথ নিৰ্মাণ বা অন্যান্য কাৰণত জল-জীৱন মিছনৰ মূল পাইপ লাইন সমূহ ভাঙি যোৱাৰ ফলত পানীৰ অপচয় হৈছে। এই ক্ষতিগ্ৰস্ত পাইপসমূহ ক্ষিপ্ৰতাৰে মেৰামতি কৰিবলৈ চৰকাৰৰ কি স্থায়ী ব্যৱস্থা আছে?

(ঘ) জলমিত্ৰ সকলৰ মাননী বৃদ্ধি কৰাৰ বাবে চৰকাৰে কোনো ব্যৱস্থা গ্ৰহণ কৰিবনে?

(ঙ) জে. জে. এম. আঁচনিৰ ৰূপায়ণকাৰী ঠিকাদাৰ সকলৰ পাবলগীয়া বকেয়া ধনৰ পৰিমাণ কিমান? এই বকেয়া ধন ঠিকাদাৰ সকললৈ কেতিয়ালৈ আদায় দিবা হ'ব?

**উত্তৰ**

**জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্ৰী মাননীয় শ্ৰীযুত কৃষ্ণেন্দু পাল মহোদয়ে উত্তৰ দিব।**

(ক) জল জীৱন মিছনৰ অধীনত ৰাজ্যৰ বিভিন্ন স্থানত পাইপযোগে বিশুদ্ধ খোৱাপানী যোগান ধৰিবলৈ ক্ষিপ্ৰগতিত কাম আগবঢ়োৱা হৈছে। ইয়াৰ পাছতো এতিয়ালৈকে কিছুমান ঠাইত পানী যোগান আঁচনিৰ কাম নিয়মীয়াকৈ সম্পূৰ্ণ কৰিব পৰা নাই, কাৰণ 03.10.2024 তাৰিখৰ পৰা অসমত জাৰি হৈ থকা Standstill Order No. 555519/2 -ৰ ফলত বহু আঁচনিৰ কাম সাময়িকভাবে স্থগিত হৈ পৰিছিল। ফলস্বৰূপে, কিছুমান আঁচনিৰ কাম আধৰুৱা অৱস্থাত ৰৈ যায়।

উল্লেখযোগ্য যে, Government Order No. 555519/36 অনুসৰি 15.03.2026 তাৰিখৰ পৰা Retrofitting আৰু Revised Retrofitting আঁচনিসমূহৰ বাহিৰে আন সকলো আঁচনিৰ ক্ষেত্ৰত Standstill উঠাই লোৱা হয়। ফলস্বৰূপে, কাম পুনৰ আৰম্ভ কৰা হৈছে আৰু সংশ্লিষ্ট কাৰ্যাদেশ (Work Order)-ৰ চৰ্তাৱলী তথা JJM 2.0 Guidelines-ৰ বিধান অনুসৰি আঁচনিসমূহ সম্পূৰ্ণ কৰা হ'ব।

(খ) জনস্বাস্থ্য কাৰিকৰী বিভাগ, অসমৰ অধীনত বৰ্তমান ৮৩ টা কাৰ্য্যক্ষম পৰীক্ষাগাৰ আছে আৰু এই পৰীক্ষাগাৰ সমূহে নিয়মীয়াকৈ মানক পদ্ধতি (standard method) অনুসৰি আৰ্চেনিক, ফুৰাইড আৰু আয়ৰণ আদিকে ধৰি **১৬** টা ৰাসায়নিক মান (chemical parameter) নিয়মীয়াকৈ পৰীক্ষা কৰে।

বৰ্তমান জনস্বাস্থ্য কাৰিকৰী বিভাগ, অসমৰ অধীনত থকা **৯১** টা উপ-সংমণ্ডলৰ ভিতৰত ৪৬ টা উপ-সংমণ্ডতহে কাৰ্য্যক্ষম পৰীক্ষাগাৰ আছে। অৱশ্যে, শেহতীয়াকৈ ২ টা উপ-সংমণ্ডলত নতুন পৰীক্ষাগাৰ নিৰ্মাণ কৰা হৈছে আৰু অতি সোনকালে পৰীক্ষাগাৰ দুটাক কাৰ্য্যক্ষম কৰি তোলা হব।

(গ) পথ নিৰ্মাণ বা Utility Shifting-ৰ ফলত ক্ষতিগ্ৰস্ত হোৱা পানী যোগান আঁচনিসমূহৰ স্থানান্তৰ, পুনঃস্থাপন আৰু মেৰামতিৰ সম্পূৰ্ণ ব্যয় সংশ্লিষ্ট পথ নিৰ্মাণ বিভাগ (PWD)-এ Notification No. 635091/45 dated 07.02.2026 মৰ্মে ০৯.০৮.২০২৪ তাৰিখৰ পৰা বহন কৰিব।

অন্যান্য কাৰণত জল জীৱন মিছনৰ মূল পাইপলাইন ক্ষতিগ্ৰস্ত হোৱা আঁচনিসমূহ পুনৰ সক্ৰিয় কৰাৰ উদ্দেশ্যে পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ ১৫তম বিত্ত আয়োগৰ (15th Finance Commission Tied Grant) পুঁজি ব্যৱহাৰৰ বাবে কেবিনেটে অনুমোদন জনাইছে (vide Notification No. PDA 193/2021/7 dated 09.02.2022)। সেই অনুসৰি, গাঁও পঞ্চায়ত, আঞ্চলিক পঞ্চায়ত আৰু জিলা পৰিষদৰ বাবে নিৰ্ধাৰিত আৰ্থিক সীমা (Slab) অনুসৰি পুঁজি আবণ্টন কৰি ক্ষতিগ্ৰস্ত আঁচনিসমূহৰ মেৰামতিৰ কাম নিয়মীয়াকৈ সম্পন্ন কৰা হৈছে (vide O&M SOP No. E- 742017/1/1425840/2026 dated 06.02.2026)। উক্ত SOP অনুসৰি, গাঁও পঞ্চায়তৰ ক্ষেত্ৰত সৰ্বাধিক ₹১.০০ লাখ, আঞ্চলিক পঞ্চায়তৰ ক্ষেত্ৰত ₹১.০০ লাখৰ পৰা ₹৫.০০ লাখলৈকে, আৰু জিলা পৰিষদৰ ক্ষেত্ৰত ₹৫.০০ লাখ বা তাতোধিক ব্যয়ৰ কামসমূহ DWSM(জিলা পানি ও অনাময় মিচন) ৰ অনুমোদন সাপেক্ষে জিলা পৰিষদ পৰ্য্যায়ত সম্পাদন কৰা হয়।

(ঘ) জল মিত্ৰসকলে মাহিলী ৬,৫০০ টকা পাৰিশ্ৰমিক লাভ কৰে। ৰাজ্যিক বাজেট ২০২৫-২৬ অনুসৰি, স্বচ্ছ আৰু ODF+ গাঁওসমূহৰ বাৰ্তা প্ৰচাৰ তথা জনসচেতনতা বৃদ্ধিৰ অতিৰিক্ত দায়িত্ব অৰ্পণ কৰি জল মিত্ৰৰ ভূমিকা "স্বচ্ছ জল মিত্ৰ" হিচাপে পুনৰ নিৰ্ধাৰণ কৰা হৈছে। সেই অনুসৰি তেওঁলোকৰ মাহিলী পাৰিশ্ৰমিক ১,০০০ টকা বৃদ্ধি কৰি মুঠ ৭,৫০০ টকা নিৰ্ধাৰণ কৰা হৈছে।

(ঙ) ৰাজ্যখনত সামগ্ৰিকভাবে জল জীৱন মিছন (JJM), অসমৰ অধীনত PWSS আঁচনি সমূহত সম্পন্ন কৰা কামৰ বিপৰীতে ঠিকাদাৰ সকলক আজিৰ তাৰিখলৈকে মুঠ Rs. ২৮০৮.৪০ কোটি (Rs. 280840 Lakh) টকাৰ প্ৰতিশ্ৰুতিবদ্ধ পৰিশোধ কৰিবলগীয়া ধন অনাদায় হৈ (Committed Payment Liability) আছে।

জল জীৱন মিছন, অসমে ২০২৬-২৭ বিত্তীয় বৰ্ষত কেন্দ্ৰীয় অংশ হিচাপে Rs. ৬৯২.২৪ কোটি আৰু ৰাজ্যিক অংশ হিচাপে Rs. ৭৬.৯২ কোটি লাভ কৰিছে। ইয়াৰ ফলত মুঠ উপলব্ধ পুজি Rs. ৭৬৯.১৬ কোটি হৈছে। লাভ কৰা মুঠ ধনৰ ভিতৰত 27.07.2026 তাৰিখলৈকে Rs. ৬৯৯.৮৮ কোটি ব্যৱহাৰ/ আৰ্থিকভাবে অনুমোদিত কৰা হৈছে আৰু অবশিষ্ট উপলব্ধ ধনৰ পৰিমান – Rs. ৬৯.২৮ কোটি।

NJJM-এ জাৰি কৰা JJM 2.0-ৰ নিৰ্দেশনা অনুসৰি, নতুন একক গাঁও জল যোগান আঁচনি (SVS) আৰু বহু গাঁও জল যোগান আঁচনি (MVS)-ৰ সৈতে জড়িত ধনৰাশিৰ পৰিশোধ বা আৰ্থিক দায়িত্ব ভাৰত চৰকাৰে বহন কৰিব। ইয়াৰ ভিতৰত, নতুন SVS-ৰ ক্ষেত্ৰত অগ্ৰিম ধন মুকলি ব্যৱস্থা (Upfront Release Mechanism) অনুসৰণ কৰা হ'ব আৰু নতুন MVS-ৰ ক্ষেত্ৰত ব্যয় পৰিশোধ (Reimbursement) ব্যৱস্থা অনুসৰণ কৰা হ'ব। কিন্তু, পুনঃসংস্কাৰ (Retrofitting) আঁচনিৰ ফলত উদ্ভৱ হোৱা সকলো আৰ্থিক দায়বদ্ধতা ৰাষ্ট্ৰীয় জল জীৱন মিছন (NJJM) জাৰি কৰা জল জীৱন মিছন (JJM) ২.০-ৰ নিৰ্দেশনাৰ অধ্যায় ৩.৩.২ (iv) অনুসৰি ৰাজ্য চৰকাৰে নিজা আৰ্থিক সম্পদৰ পৰাই বহন কৰিব লাগিব।